**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ চলিত বৰ্ষৰ ফলাফল ঘোষণা।

২। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি।

৩। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ, ন্যায়াধীশ বি আৰ গাৱাইক দেশৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি।

৪। হাফলঙত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত এন এছ্ চি এনৰ তিনিজন সদস্যৰ মৃত্যু। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি দেলহী কেপিটেলছৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ ১৪ ৰানত জয়লাভ।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল ঘোষণা কৰা হৈছে। এই বছৰৰ পৰীক্ষাত উত্তীৰ্ণ হাৰ হৈছে কলা শাখাত প্ৰায় ৮১ শতাংশ, বিজ্ঞান শাখাত ৮৪ দশমিক ৮-৮ শতাংশ, বাণিজ্য শাখাত প্ৰায় ৮২ শতাংশ আৰু ভকেচনেল শাখাত প্ৰায় ৬৮ শতাংশ। কলা শাখাত প্ৰথম বিভাগত ৪৯ হাজাৰ ৫৭৭ গৰাকী শিক্ষাৰ্থী, দ্বিতীয় বিভাগত ৮০ হাজাৰ ৬৫০ গৰাকী আৰু তৃতীয় ৫৩ হাজাৰ ৫১৮ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

একেদৰে বিজ্ঞান শাখাত প্ৰথম বিভাগত ২৫ হাজাৰ ৮২৭ গৰাকী শিক্ষাৰ্থী, দ্বিতীয় বিভাগত ১৯ হাজাৰ ২৮৬ গৰাকী আৰু তৃতীয় বিভাগত ৩ হাজাৰ ১৯৬ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে।

বাণিজ্য শাখাত ৬ হাজাৰ ৫১৯ গৰাকী প্ৰথম বিভাগত, ৫ হাজাৰ ৭৬০ গৰাকী দ্বিতীয় বিভাগত আৰু ২ হাজাৰ ৩০৫ গৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে।

শিক্ষাৰ্থীসকলে নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তেওঁলোকে মোবাইল এপৰ জৰিয়তেও মাৰ্কশ্বিটসমূহ চাব পাৰিব। www.ahsec.assam.gov.in, www.assamresult.in, www.result.shiksha, www.schools9.com, assamjobalerts.com আদিকে ধৰি মুঠ ১২টা ৱেবছাইটত শিক্ষাৰ্থীসকলে নিজৰ ৰোল, নম্বৰ আৰু ৰেজিষ্ট্ৰেচন নম্বৰ দি মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তদুপৰি এণ্ড্ৰইড মোবাইলত **উপলব্ধ** এপ ডাউনল'ড কৰি ফলাফল লাভ কৰিব পাৰিব। বিদ্যালয়ৰ শিক্ষা পৰিষদৰ দুই নম্বৰ সংমণ্ডলে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ

শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'ব বিচাৰিলে পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব। উল্লেখযোগ্য যে এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৩ লাখ ২ হাজাৰ ৪২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০০

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনাও বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ভোটদাতাৰ মন জয় কৰাৰ চেষ্টা চলাব।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ ৰঙিয়া, দৰং আৰু মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন চৰকাৰৰ উন্নয়নমূলক কাম-কাজত আলোকপাত কৰাৰ লগতে নিৰ্বাচনত পুনৰ দলটোৱে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ পানীতোলা নগাঁও খেল পথাৰত আৰু ডিব্ৰুগড় জিলাৰ মানকটা খেলপথাৰত প্ৰচাৰ চলাব। মন্ত্ৰীগৰাকীয়ে কালি মাৰ্ঘেৰিটাৰ নগাপথাৰ ৰংগমঞ্চত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ আৰু প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ –

-বাইট-

একেদৰে শাসকীয় বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাছাৰ জিলাৰ উদাৰবন্দ সমষ্টিৰ শালগংগা জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। মন্ত্ৰী কেশৱ মহন্তই কালি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ লাঠিৰঘাট ৰাণীবাৰী গাঁৱত লক্ষীৰ বাজাৰ জিলা পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। মন্ত্ৰীগৰাকীয়ে হাইলাকান্দিৰ লক্ষীৰবন বাইপাছত আয়োজিত এখন প্ৰচাৰ সভাতো অংশগ্ৰহণ কৰে।

কামৰূপ জিলাত কালি বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ পৰিলক্ষিত হয়। বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধিৰ লগতে কেইবাজনো নেতাই কালি প্ৰচাৰ চলায়। জিলাখনত নিৰ্দলীয় প্ৰাৰ্থীসকলেও কালি প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰাই কালি বোকাখাতৰ গৰিয়াজান বাগিচা, ৰঙামাটি চেউনি কমাৰগাওঁকে ধৰি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়।

ইপিনে, বিৰোধী দল কংগ্ৰেছেও কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰচাৰ চলায়। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি জহিং চাহ বাগিচাত প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে শিৱসাগৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। দলটোৱে আয়োজন কৰা সভাসমূহত মহিলাৰ অংশগ্ৰহণ অধিক বুলিও তেওঁ উল্লেখ কৰে।

কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই কালি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে। আসন্ন

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম গণ পৰিষদ দলে কালি আমবাৰীত থকা মুখ্য কাৰ্যালয়ত দলটোৰ ঘোষণা পত্ৰ মুকলি কৰে। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত মিত্ৰতাক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত কালি ৰাইজৰ দলৰ মুখপাত্ৰ ৰাছেল হুছেইনে এখন সংবাদমেলত ভাষণ দিয়ে।

পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধ ঘোষণা কৰাৰ লগতে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

oooooo

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ, ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাৱাইয়ে দেশৰ ৫২ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে প্ৰকাশ কৰা মতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ন্যায়াধীশ গাৱাইক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিয়োগ কৰিছে আৰু অহা ১৪ মে'ত তেওঁ শপত গ্ৰহণ কৰিব। অহা ১৩ মে'ত বৰ্তমানৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ কাৰ্যকালৰ অন্ত পৰিব। উল্লেখযোগ্য যে ন্যায়াধীশ গাৱাই হ'ব এই পদত অধিষ্ঠিত হোৱা অনুসূচিত জাতিৰ দ্বিতীয়গৰাকী ব্যক্তি। ইয়াৰ পূৰ্বে অনুসূচিত জাতিৰ পৰা কে জি বালাকৃষ্ণণ মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হৈছিল। ন্যায়াধীশ গাৱাইয়ে ছমাহৰ বাবে এই পদত কাৰ্যনিৰ্বাহ কৰিব।

oooooo

ডিমা হাচাও জিলাৰ হাফলঙত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন এন এছ চি এনৰ তিনিজন সদস্যৰ মৃত্যু হয়। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰা বিবৃতি অনুসৰি ডিমা হাচাও জিলাত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানক শেহতীয়াকৈ উগ্ৰপন্থীয়ে ধন দাবী কৰিছিল। আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে এই সংক্ৰান্তত জিলাখনৰ বিভিন্ন স্থানত উগ্ৰপন্থীৰ সন্ধানত বিগত ৩ দিন ধৰি অভিযান চলাই আহিছিল। আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত কালি হাফলঙৰ ডিহামলাইৰ গভীৰ বনাঞ্চলত অভিযান চলোৱাৰ সময়তে সশস্ত্ৰ উগ্ৰপন্থীৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। আৰক্ষীয়ে সংঘৰ্ষৰ পাছত সেই স্থানৰ পৰা এন এছ চি এনৰ তিনিজন সদস্যৰ মৃতদেহ উদ্ধাৰ কৰাৰ লগতে তিনিটা এ কে-৪৭ ৰাইফল উদ্ধাৰ কৰে। মৃত উগ্ৰপন্থীকেইজনক এতিয়াও চিনাক্ত কৰা হোৱা নাই। অঞ্চলটোত এতিয়াও ভালেসংখ্যক উগ্ৰপন্থী আত্মগোপন কৰাৰ তথ্য পোৱা গৈছে আৰু নিৰাপত্তা বাহিনীয়ে এতিয়াও অভিযান অব্যাহত ৰাখিছে।

oooooo

সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰাক আক্ৰমণৰ ঘটনাৰ মূল অভিযুক্ত ইমদাদুল ইছলাম নামৰ লোকজনক আৰক্ষীয়ে চিনাক্ত কৰিছে। এই লোকজনৰ সৈতে লাহৰীঘাটৰ আন কেইবাজনো লোক জড়িত থকা বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। এই সন্দৰ্ভত নগাঁৱৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই এইদৰে কয়।

(বাইট)

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে ২৭ এপ্ৰিলত নগাঁও জিলাৰ ধিঙৰ ওপৰ ডুমডুমীয়াত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ ওপৰত একাংশ দুৰ্বৃত্তই আক্ৰমণ সংঘটিত কৰিছিল। দুয়োগৰাকী নেতাই ডুমডুমীয়াৰ শ্লুইছ গে'টত বালিসত্ৰ জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লৈ ধিং অভিমুখে আহি থকা অৱস্থাত এটা ১৫ জনীয়া দুৰ্বৃত্তৰ দলে তেওঁলোকক আক্ৰমণ কৰে।

মুখত ক'লা কাপোৰ বান্ধি অহা দলটোৱে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খানৰ দুখন গাড়ী ভাঙি চূৰমাৰ কৰে। এই আক্ৰমণত সাংসদগৰাকীৰ লগতে মামাই পেগু, কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খান, বিধায়িকা শিৱামণি বৰাৰ লগতে কেইবাজনো দলীয় কৰ্মী আহত হৈছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙক সাক্ষাৎ কৰি বিষয়টো সন্দৰ্ভত এখন স্মাৰক-পত্ৰ প্ৰদানৰ দ্বাৰা এই ঘটনাত জড়িতসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাইছিল।

০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৪ লৈ বৃদ্ধি পাইছে। আৰক্ষীয়ে শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ বাবে কাছাৰৰ পৰা নাচিব আহমেদ, চিৰাঙৰ পৰা চাহিন আহমেদ মজুমদাৰ, কামৰূপৰ পৰা মস্তাক ৰহিম আলী ওৰফে চনু, লখিমপুৰৰ পৰা মহম্মদ ফুলঝাৰ হুছেইন, শোণিতপুৰৰ পৰা মহম্মদ ফুৰকান আলী আৰু দক্ষিণ শালমৰাৰ পৰা চুজাবুল ইছলামক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দিত ৩ জন, চিৰাং, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, দক্ষিণ শালমাৰা মানকাচৰ আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে অপ্ৰীতিকৰ মন্তব্য দিয়াৰ অভিযোগত শ্ৰীভূমি জিলাৰ ৰাটাবাৰী আৰক্ষীয়ে কালি এজন যুৱকক গ্ৰেপ্তাৰ কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা নতুন অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে দেলহী কেপিটেলছক ১৪ ৰানত পৰাস্ত কৰে। দেলহীয়ে ২০৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফাফ ডু প্লেছিছে ৬২ আৰু অক্ষৰ পেটেলে ৪৩ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ সুনীল নাৰায়ণে ৩টা, বৰুণ চক্ৰৱৰ্তীয়ে দুটা উইকেট দখল কৰাৰ লগতে অনুকুল ৰয়, বৈভৱ আৰোৰা আৰু আণ্ড্ৰে ৰাছেলে এটাকৈ উইকেট লাভ কৰে। সুনীল নাৰায়ণ প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে কলকাতাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ২০৪ ৰান কৰে। দলৰ হৈ অংক্ৰিছ ৰঘুবংশীয়ে সৰ্বাধিক ৪৪ ৰান কৰে।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

আজি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে 'সামৰিক শক্তিক পূৰ্ণ স্বাধীনতা প্ৰধানমন্ত্ৰীৰ' শিৰোনামেৰে এটা বাতৰিক মুখ্য বাতৰি হিচাপে স্থান দিছে। এই বাতৰিটোকে **আমাৰ অসম** কাকতে 'প্ৰধানমন্ত্ৰীৰ বাসগৃহত জৰুৰী বৈঠকত সন্ত্ৰাস নিৰ্মূলৰ কৰ্তৃত্ব সেনাক' শিৰোনামেৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে 'যুঁজিবাই-জিকিবাই' শিৰোনামেৰে একেটা বাতৰিকে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটোকে **অসমীয়া প্ৰতিদিন** কাকতে অন্য শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'ব'হাগত পঞ্চায়ত

– চ'তত বিধানসভা নিৰ্বাচন' – এই শিৰোনামাৰে এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ প্ৰতি সঁহাৰি জনাই ২০২৫-২৬ বৰ্ষৰ পৰা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ে ৮ টা নতুন পাঠ্যক্ৰম আৰম্ভ কৰাৰ বাতৰিক প্ৰায়কেইখন কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। ৰঙিয়াত নিৰ্বাচনী প্ৰচাৰ অভিযান চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ পাছতে ৰন্ধন গেছৰ দাম কমোৱাৰ প্ৰতিশ্ৰুতিৰ বাতৰিটোক **দৈনিক জনমভূমি**ৰ লগতে অন্য কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আৰ এছ্ এছ্‌ৰ মুৰববী মোহন ভাগৱতে সাক্ষাৎ কৰাৰ বাতৰিটো 'কাশ্মীৰৰ কমেও ৪৮ টা পৰ্যটনস্থলী জম্মু-কাশ্মীৰৰ চৰকাৰে বন্ধ কৰি দিয়াৰ বাতৰিটোক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** আৰু **দি আছাম ট্ৰিবিউন** কাকতে পহলগামৰ সন্ত্ৰাসবাদৰ ঘটনাক ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট শিক্ষাবিদ তথা শংকৰী সংস্কৃতিৰ গৱেষক তিলক চন্দ্ৰ মজুমদাৰৰ যোৱা নিশা বাৰ্ধক্যজনিত কাৰণত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। তেওঁৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন মন্ত্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

oooooo

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত